শৰৎচন্দ্ৰ চট্টোপাধ্যায়

# অভাগীৰ স্বৰ্গ

## এক

ঠাকুৰ মুখোপাধ্যায়ৰ বয়সিয়াল পত্নী সাতদিনৰ জ্বৰত ঢুকাল। বৃদ্ধ মুখোপাধ্যায় ডাঙৰীয়া ধানৰ কাৰবাৰত অতিশয় সঙ্গতিসম্পন্ন। তেওঁৰ চাৰিজন পুতেক, তিনিজনী জীয়ৰী, জোঁৱাই, প্ৰতিবেশী দল, চাকৰ-বাকৰ— সবে মিলি যেন এটা উৎসৱৰহে আয়োজনত লাগিল। গাঁৱৰ সকলো মানুহে ভিৰ কৰি আহিল ধুমধামেৰে শৱযাত্ৰা চাবলৈ। জীয়ৰীহঁতে কান্দি কান্দি মাকৰ ভৰিদুটাত আলতা আৰু শিৰত ঘনকৈ সেন্দূৰ লেপি দিলে, বোৱাৰীহঁতে শাহু আইৰ কপাল চন্দনেৰে চৰ্চিত কৰি বহুমূল্য বস্ত্ৰেৰে তেওঁৰ দেহ আচ্ছাদিত আঁচলেৰে গুৱনি কৰি তেওঁৰ শেষ পদধূলি ল'লে। পুষ্প, পত্ৰ, গন্ধ, মাল্য আৰু কলৰৱত ভাব নহ'ল যে ই কোনো শোকৰ ঘটনা—ই যেন কোনোবা ধনী গৃহিণী এজনীয়ে পঞ্চাশ বছৰ পিছত আকৌ এবাৰ নতুনকৈ স্বামীগৃহলৈ যাত্ৰা কৰিছে। বৃদ্ধ মুখোপাধ্যায় ডাঙৰীয়াই তেওঁৰ চিৰদিনৰ লগৰীক শেষ বিদায় জনাই অলক্ষ্যে দুই বিন্দু চকুলো মচি শোকাৰ্ত কন্যা আৰু বোৱাৰীহঁতক সান্ত্বনা দিবলৈ ধৰিলে। প্ৰবল হৰিধ্বনিৰে পুৱাৰ আকাশ আলোড়িত কৰি সম্পূৰ্ণ গাঁওখন লগে লগে যাব ধৰিলে। আৰু এটা প্ৰাণী অলপ আঁতৰত থাকি এই দলৰ সঙ্গী হ'ল। সেইজনী হ'ল কাঙালীৰ মাতৃ। নিজৰ ঘৰৰ চোতালৰ কেইটামান বেঙেনা তুলি লৈ সেই বাটেৰে তাই হাতৰ পিনে গৈ আছিল—এই দৃশ্য দেখি আৰু যাব নোৱাৰিলে। আঁচলত বন্ধা বেঙেনাবোৰ আঁচলতেই ৰৈ গ'ল—চকুপানী বাৰে বাৰে মচি সকলোৰে পিচে পিচে গৈ তাই উপস্থিত হ'ল শ্মশানত।

গাঁৱৰ মূৰৰ নৈৰ পাৰত শ্মশান। আগতেই তাত কাঠৰ ভাৰ, চন্দনৰ টুকুৰা, ঘি, মৌ, ধূপ, ধুনা আদি উপকৰণ আনি থোৱা হৈছিল। কাঙালীৰ মাক নিম্নজাতৰ মানুহ। মাছমৰীয়াৰ জীয়ৰী বুলি কাষলৈ যোৱাৰ সাহস নাই। দূৰতে টিলা এটাৰ ওপৰত থিয় হৈ তাই সমস্ত অন্ত্যেষ্টিক্ৰিয়া আৰম্ভণিৰ পৰা শেষলৈকে উৎসুক আগ্ৰহেৰে চকু মেলি চাব ধৰিলে। প্ৰশস্ত আৰু পৰ্যাপ্ত চিতাৰ ওপৰত যেতিয়া শৱদেহ স্থাপিত কৰা হ'ল, তেতিয়া মুখোপাধ্যায়ৰ গৃহিণীৰ ৰঙা ভৰি দুখন দেখি তাইৰ চকু দুটি জুৰ পৰি গ'ল। একেকোবে গৈ একবিন্দু আলতা ভৰিৰ পৰা আনি শিৰত লবলৈ ইচ্ছা হ'ল। বহু কণ্ঠৰ হৰিধ্বনিৰ সৈতে পুত্ৰহস্তৰ মন্ত্ৰপুত অগ্নি যেতিয়া সংযোজিত হ'ল, তেতিয়া তাইৰ চকুৰপৰা অবিৰাম অশ্ৰু নিৰ্গত হ'ব ধৰিলে আৰু মনে মনে বাৰম্বাৰ ক'লে—"ভাগ্যৱতী, মা, তুমি সৰগলৈ গৈ আছা—মোকো আশীৰ্বাদ কৰি যোৱা, ময়ো যেন এনেদৰে কাঙালীৰ হাতৰ জুইকুৰা পাওঁ।" পুতেকৰ হাতৰ জুই—ইতো সহজ

কথা নহয়। স্বামী, পুত্ৰ-কন্যা, নাতি-নাতিনী, দাস-দাসী, পৰিজন—সমগ্ৰ সংসাৰ'ক উজলাই ৰাখি এই যে স্বৰ্গাৰোহণ তাকে দেখি তাইৰ অন্তৰখন ফুলি ফুলি উঠিব ধৰিলে। এই সৌভাগ্যৰ পৰিমাপ তাই কৰিব নোৱাৰিলে। সদ্যপ্ৰচলিত চিতাৰ অজস্ৰ ধোঁৱা নীলা বৰণীয় ছুঁ পেলাই ঘূৰি ঘূৰি আকাশলৈ উঠিছিল। কাঙালীৰ মাকে তাৰেই মাজত সৰু এখন ৰথৰ চেহেৰা যেন স্পষ্টকৈ দেখা পালে। তাৰ গাত কত ধৰণৰ ছবি আঁকা, চূড়াত কিমান যে লতা-পাতৰ সম্ভাৰ। সেই ৰথখনৰ ভিতৰত কোনোবা এজনী বহি আছে—মুখখন অচিনাকি, কিন্তু তেওঁৰ সেওঁতাত সেন্দুৰ ৰেখা আৰু পদতল দুখন আলতাৰে ৰঙা। উৰ্ধদৃষ্টিৰে চাই থকা কাঙালীৰ মাকৰ দুচকুৰে অশ্ৰুৰ ধাৰা বৈ আছিল। এনে সময়তে চৈধ্য-পোন্ধৰ বছৰীয়া ল'ৰা এটাই তইৰ আঁচলত টান মাৰি ক'লে—'তই ইয়াতে থিয় দি আছ' দেখোন মা। ভাত নেৰান্ধ নেকি?

চক খাই ঘূৰি চাই মাকে ক'লে—চাচোন চা বোপা, বামুণী আয়ে কেনেকৈ ৰথত উঠি সৰগলৈ গৈ আছে।

পুতেকে বিস্ময়ত মুখখন তুলি ক'লে—ক'তা এয়া দেখোন ধোঁৱাহে। তই বলিয়া হ'লি নেকি? তাৰ পিছত ক'বলৈ ধৰিলে—দুপৰীয়া হৈ গ'ল মোৰ ভোক নেলাগে নেকি? সি দেখিলে মাকৰ চকুৰপৰা চকুপানী ওলাইছে। মাকৰ উদ্দেশ্যে ক'বলৈ ধৰিলে—বমুণী আই মৰিল, তাৰ বাবে তই কিয় এনেকৈ কান্দি আছ' মা?

কাঙালীৰ মাকৰ তেতিয়াহে হুচ্ আহিল। আনৰ কাৰণে শ্মশানত থিয় দি এনেদৰে অশ্ৰুপাত কৰা কথাটোত তাই অলপ লাজেই পালে। পুত্ৰৰ অকল্যাণৰ আশঙ্কাও মনলৈ আহিল। সেয়ে তাই চকুপানী মচি অলপ হাঁহিবৰ চেষ্টা কৰি ক'লে—ক'তা মইতো কন্দা নাই। কিয় কান্দিম? চকুত ধোঁৱাইহে ধৰিছে।

—তই ক'লেই হ'বনে? তই কান্দিহে আছিলি।

মাকে আৰু প্ৰতিবাদ নকৰিলে। পুতেকৰ হাতত ধৰি তাই ঘাটত নামি গা ধুলে তাকো গাটো ধুৱাই দিলে। সৎকাৰৰ শেষখিনি চোৱা আৰু তাইৰ ভাগ্যত নঘটিল।

## দুই

সন্তানৰ নামকৰণ কৰোঁতে পিতৃমাতৃৰ মূঢ়তাত বিধাতা পুৰুষে অন্তৰীক্ষত থাকি অধিকাংশ সময় মাথোঁ হাস্য কৰিয়েই ক্ষান্ত নহয়, তীব্ৰ প্ৰতিবাদো কৰে। সেয়েহে সিহঁতৰ ওৰে জীৱনটোতে নিজৰ নামবিলাকেই যেন আমৰণ পৰিহাস কৰি চলি থাকে। কাঙালীৰ মাকৰ জীৱনৰ ইতিহাস চমু, কিন্তু সেই নাতিদীৰ্ঘ কাঙাল জীৱনটো বিধাতাৰ এই পৰিহাসৰ দায়ৰপৰা অব্যাহতি লাভ কৰিছিল। তাইক জন্ম দি মাক মৰিছিল, বাপেকে খঙতে নাম দিলে অভাগী। মাক নাই, বাপেকে নৈত মাছ ধৰি ঘূৰি ফুৰে, না আছে দিন না আছে ৰাতি। তথাপি যে কিদৰে ক্ষুদ্ৰ অভাগী এদিন কাঙালীৰ মা হ'বলৈ জীয়াই থাকিল, সি এক বিস্ময়ৰ বিষয়। যাৰ লগত তাইৰ বিয়া হ'ল তাৰ নাম ৰসিক বাঘ, বাঘৰ অন্য বাঘিনী আছিল, সেই বাঘিনীক

লৈ সি অন্য গাঁৱলৈ গুচি গ'ল আৰু অভাগীয়ে তাইৰ অভাগ্য আৰু শিশু পুত্ৰক লৈ গাঁৱতেই পৰি থাকিল।

সেই কাঙালী আজি ডাঙৰ হৈ পোন্ধৰ বছৰত ভৰি দিছে। হাতৰ কাম শিকিবলৈ লৈছে। অভাগীৰ আশা আৰু একবছৰমান অভাগ্যৰ সতে যুঁজিব পাৰিলে দুখ গুচিব। এই দুখ যে কি, যিজনে দিছে তেওঁৰ বাহিৰে আন কোনেও নাজানে।

পুখুৰীৰ পৰা মুখ ধুই আহি কাঙালীয়ে দেখিলে যে তাৰ পাত্ৰৰ অৱশিষ্টখিনি মাটিৰ পাত্ৰ এটাৰে মাকে ঢাকি থৈছে। সি আচৰিত হৈ সুধিলে—তই দেখোন একো নাখালিয়ে মা। বেলি পৰিল নহয় ধন, এতিয়া আৰু মোৰ ভোক নাই। পুতেকে বিশ্বাস নকৰিলে। ক'লে—ভোক নাই, তই মিছাই কৈছ। চাও কেৰাহীটো।

এই চলনাৰে বহুদিন কাঙালীৰ মাকে কাঙালীক ফাঁকি দি আহিছে। সি কেৰাহীটো চাইহে এৰিলে। তাত এজনৰ ভাত আছিল। তাকে দেখি তাৰ ভাল লাগিল। সি প্ৰসন্ন হৈ মাকৰ কোলাত বহিলগৈ। তাৰ বয়সৰ ল'ৰাই সাধাৰণতে এনে নকৰে, কিন্তু শিশুকালৰপৰা বহুদিন সি বেমাৰী আছিল বুলি মাকৰ কোলা এৰি বাহিৰৰ লগৰীয়াহঁতৰ লগত মিলিবৰ সুযোগ পোৱা নাছিল। তাত বহিয়েই সি খেল-ধেমালিৰ ইচ্ছা পূৰণ কৰিবলগীয়া হৈছিল। এক হাতেৰে মাকৰ ডিঙিত সাবটি ধৰি সি মাকৰ মুখখনিলৈ চাই ক'বলৈ ধৰিলে—মা তোৰ গাটো দেখোন গৰম, তই ৰ'দত থিয় দি কিয়নো মৰা পোৰা চাবলৈ গৈছিলি? কিয় আকৌ তই গা ধুই আহিলি?

মাকে ততালিকে পুতেকৰ মুখখন হাতেৰে ঢাকি ক'লে—ছিঃ বোপাই এনে কথা ক'ব নেপায়। পাপ হ'ব। সতী লক্ষ্মী আই গোসাঁনী। ৰথেৰে স্বৰ্গলৈ গ'ল।

তাৰ মনৰ সন্দেহ নুগুচিল। সি ক'লে—কিনো একে কথা বাৰে বাৰে কৈ আছ। ৰথেৰে স্বৰ্গলৈ যাব পাৰিনে?

মাকে ক'লে—মই যে নিজ চকুৰে দেখিলো কাঙালী। বামুণী আইয়ে ৰথৰ ওপৰত বহি আছে। তেওঁৰ ৰঙা ভৰি দুখন সকলোৱে দেখিলে।

—সকলোৱে দেখিলে?

—এৰা অ' সকলোৱে।

মাকৰ কোলাত বহি কাঙালীয়ে ভাবিব ধৰিলে। মাকৰ কথা বিশ্বাস কৰাটোৱে তাৰ অভ্যাস। শিশুকালৰপৰা সি বিশ্বাস কৰিবলৈ শিকি আহিছে। গতিকে মাকে যেতিয়া কৈছে যে সবে চকু মেলি ইমান ডাঙৰ ঘটনাটো দেখিছে তেতিয়া অবিশ্বাস কৰিবলৈ আৰু একো নাই। অলপ পিছত ধীৰে ধীৰে ক'লে—তেনেহ'লে তয়োতো মা সৰগলৈ যাবি। বিন্দিৰ মাকে সিদিনা ৰাখালহঁতৰ পেহীক কৈ আছিল বোলে কেঙলাৰ মাকৰ দৰে সতী লক্ষ্মী আৰু ডোমপাৰাত কোনো নাই।

কাঙালীৰ মাক মনে মনে আছিল। কাঙালীয়ে পুনৰ ক'বলৈ ধৰিলে—পিতাই যেতিয়া তোক এৰি গুচি যায় তেতিয়া বহুতেই তোক বিয়া কৰাবলৈ আগবাঢ়ি আহিছিল। পিছে তইহে নগ'লি। তই ক'লি—কাঙালী জীয়াই থাকিলে মোৰ দুখ নাইকিয়া হ'ব, আকৌ বিয়া কৰাব

গাঁৱৰ ঈশ্বৰ নাপিতে নাড়ী চাব জানিছিল। পিছদিনা পুৱা হাতখন চাই তাইৰ সমুখতেই মুখখন গহীন কৰি দীঘনিশ্বাস পেলাই শেষত মূৰ লৰাই উঠি গ'ল। কাঙালীৰ মাকে ইয়াৰ অৰ্থ বুজি পালে, কিন্তু তাইৰ একো ভয় নালাগিল। সবে গুচি গ'লত তাই পুতেকক ক'লে—এতিয়া এবাৰ তেওঁক মাতি আনিব পাৰিবিনে বোপাই?

—কাক মা?

—সৌৱা—যিজনে সৌ গাঁওখনত ঘৰ বান্ধিছে। কাঙালীয়ে বুজি পাই ক'লে—পিতাক?

অভাগীয়ে মনে মনে থাকিল।

কাঙালীয়ে ক'লে—তেওঁনো কিয় আহিব মা?

অভাগীৰ নিজৰো যথেষ্ট সন্দেহ আছিল, তথাপি লাহে লাহে ক'লে—ক'বি, মায়ে মাথোন অকণমান তোমাৰ ভৰিৰ ধূলি বিচাৰিছে।

তৎক্ষণাত সি যাবলৈ উদ্যত হোৱাত মাকে তাৰ হাতখন ধৰি ক'লে—অলপ কন্দা-কটা কৰি ক'বি মা যাব ওলাইছে। অলপ পৰ বৈ ক'লে—ঘূৰি আহোতে নাপিতৰ ঘৈণীয়েকৰ পৰা অলপ আলতা বিচাৰি লৈ আহিবি। মোৰ কথা ক'লেই দিব। মোক বৰ মৰম কৰে নহয়।

সঁচাকৈ বহুতেই অভাগীক মৰম কৰিছিল। জ্বৰ হোৱাৰ পিছৰেপৰা মাকৰ মুখত এই বস্তুকেইটাৰ কথা ইমানবাৰ শুনিছে যে তাকে আনিবলৈ মাকৰ ওচৰৰপৰা কান্দি কান্দি ওলাই গ'ল।

## চাৰি

পিছদিনা ৰসিক ডোম যেতিয়া আহি উপস্থিত হ'ল অভাগীৰ জ্ঞান তেতিয়া আৰু প্ৰায় নাই। মুখৰ ওপৰত মৰণৰ ছাঁ, চকুৰ দৃষ্টি, এই সংসাৰৰ কৰ্ম সমাপন কৰি যেন কোন অজানা দেশলৈ অন্তৰ্হিত হৈছে। কাঙালীয়ে কান্দি কান্দি ক'লে—মা, পিতাই আহিছে। ভৰিৰ ধূলি নলব নেকি?

মাকে বুজিলে চাগে। তাইৰ গভীৰ সঞ্চিত বাসনাই চাগে সংস্কাৰৰ দৰে তাইৰ আচ্ছন্ন চেতনাত ঘা দিলে। মৃত্যুপথৰ যাত্ৰী মানুহজনীয়ে তাইৰ অৱশ হাত এখন শয্যাৰ বাহিৰলৈ আগুৱাই দিলে।

ৰসিক হতবুদ্ধিৰ দৰে থিয় হৈ থাকিল। এই পৃথিৱীত তাৰো পদৰেণুৰ কিবা প্ৰয়োজন আছে আৰু কোনোবাই সেই বস্তু বিচাৰিব পাৰে—ই তাৰ কল্পনাৰো অতীত আছিল। ৰাখালৰ মাকে ক'লে—'দে অ'বোপাই অকণমান ভৰিৰ ধূলা দে'।

ৰসিক আগুৱাই আহিল। জীৱনত যি স্ত্ৰীক সি মৰম দিয়া নাই, খোৱা-পিন্ধাৰ ব্যৱস্থা কৰি দিয়া নাই, কোনো বা-বাতৰি লোৱা নাই, মৰণকালত সেই মানুহজনীক অকণমান ভৰিৰ ধূলা দিবলৈ গৈ সি এতিয়া কান্দি পেলালে।

ৰাখালৰ মাকে ক'লে—এনে সতীলক্ষ্মী বামুণৰ ঘৰত নজন্মি আমি ডোমহঁতৰ ঘৰত

বুলি কিন্তু তেতিয়া কোনেও ঘিন কৰিব নোৱাৰিব—দুখীয়া বুলি কোনেও বাধা দিব নোৱাৰিব। ইচ্, পুতেকৰ হাতেৰে মুখাগ্নি—ৰথখন যে আহিবই লাগিব।

কাঙালীয়ে মাকৰ মুখৰ ওপৰত মুখখন থৈ ভগ্ন কণ্ঠেৰে ক'লে—নক'বি মা, নক'বি, বিৰাট ভয় লাগে মোৰ।

মাকে ক'লে—আৰু চা কাঙালী, তোৰ বাপেৰক এবাৰ লৈ আহিবি। ঠিক সেইদৰে যেন ভৰিৰ ধূলি শিৰত দি মোক বিদায় জনায়। ঠিক তেনেদৰে ভৰিত আলতা, মূৰত সেন্দুৰ দি—কিন্তু দিবনো কোনে? তই দিবিনে কাঙালী? তই মোৰ ল'ৰা, তই মোৰ ছোৱালী, তয়েই মোৰ সকলো—এই বুলি পুতেকক একেবাৰে বুকুৰ মাজত সুমুৱাই ল'লে।

## তিনি

অভাগীৰ জীৱন নাটৰ শেষ অঙ্ক শেষ হোৱাৰ পথত। ইয়াৰ বিস্তৃতি বেছি নহয়। সম্ভৱতঃ ত্ৰিছ বছৰ পাৰ হৈছে বা হোৱা নাই। অন্ততঃ পৰিল তেনেই সামান্যভাৱে। গাঁৱত কবিৰাজ নাছিল, আন গাঁৱত তেওঁৰ বাস। কাঙালী গৈ কান্দি কান্দি তেওঁৰ ভৰিত পৰিল, পিছত লোটাতো বন্ধকত থৈ তেওঁক এটকা প্ৰণামী দিলে। তেওঁ নাহিল, চাৰিটামান বড়ি দিলে। তাতেও আকৌ কিমান যে আয়োজন—খল, মৌ, আদাৰ সত্ত্ব, তুলসী পাতৰ ৰস। কাঙালীৰ মাকে খঙ কৰিয়ে ক'লে—তই কিয় মোক নজনাকৈ লোটাটো বন্ধকত থ'লি বোপাই। হাত মেলি বড়িকেইটা লৈ শিৰত লগাই চৌকাত পেলাই দি ক'লে—ভাল পাব হ'লে এনেই পাম। ডোমৰ ঘৰত কোনেও কেতিয়াও দৰব খাই জীয়াই থকা নাই।

দুই তিনিদিন এনেদৰেই গ'ল। প্ৰতিবেশীসকলে খবৰ পাই ক'বলৈ আহিলে, যাৰ যি মুষ্টিযোগ জনা আছিল—যেনে—হৰিণৰ শিঙত ঘহা পানী, কড়ি পুৰি মৌৰ সৈতে মিহলাই দিয়া আদি অব্যৰ্থ দৰবৰ সন্ধান দি প্ৰত্যেকৰে কামলৈ গুচি গ'ল। ল'ৰা মানুহ, কাঙালীক ব্যস্ত হৈ উঠা দেখি মাকে কাষত টানি লৈ ক'লে—কবিৰাজৰ দৰবত যেতিয়া একো নহ'ল, এইবিলাকে কি কাম দিব বোপাই? মই এনেয়েই ভাল পাম।

কাঙালীয়ে কান্দি কান্দি ক'লে—তই দেখোন বড়িবোৰ চৌকাত পেলাই দিলি, মা। এনেয়ে কোনোবাই ভাল পায়নে?

—মই এনেই ভাল পাম। তই বৰং কাম এটা কৰ। ভাত দুটামানকে ৰান্ধি লৈ খাচোন। মই দেখুৱাই দিওঁ।

কাঙালীয়ে এই প্ৰথম অপটু হাতেৰে ভাত ৰান্ধিবলৈ ধৰিলে। নোৱাৰিলে মাৰ পেলাব, নোৱাৰিলে ভালদৰে ভাত সিজাব। চৌকা ভালদৰে জ্বলাব নোৱাৰে, তাত পানী পৰি ধোঁৱা হয়, ভাত লাৰি দিলে চাৰিওপিনে ছিটিকি পৰে। মাকৰ দুচকু পানীৰে ভৰি উঠিল। এবাৰ উঠিবৰ চেষ্টা কৰিলে কিন্তু মূৰটো স্থিৰ ৰাখিব নোৱাৰিলে। বিচনাত বাগৰি পৰিল। পুতেকৰ খোৱা হ'লত তাক কাষলৈ মাতি কেনেকৈ ৰান্ধিব লাগে বুজালে। উপদেশ দি থাকোঁতে তাইৰ ক্ষীণ কণ্ঠ স্তব্ধ হৈ গ'ল। চকুৰে মাথো অবিৰল ধাৰাৰে অশ্ৰুপাত হ'ব ধৰিলে।

লাগে কিয়? তই বিয়া কৰালে মইনো ক'ত থাকিলোহয় মা। মই চাগে খাবলৈ নাপাই ইমান দিনে মৰিয়ে গ'লোহয়।

মাকে পুতেকক দুইহাতেৰে বুকুত চেপি ধৰিলে। সঁচাকৈ ক'বলৈ গ'লে তাইক এনে পৰামৰ্শ বহুত মানুহেই দিছিল, কিন্তু তাই কোনোপধ্যেই মান্তি হোৱা নাছিল। তাইৰ ওপৰত উৎপাত উপদ্ৰৱ কম হোৱা নাছিল, সেই কথা স্মৰণ কৰি এতিয়া অভাগীৰ চকুৰে অশ্রু নির্গত হ'ব ধৰিলে। পুতেকে সেই চকুলো মচি দি ক'বলৈ ধৰিলে—উৰা কাপোৰখন গাত জাপি দিম নেকি মা, তই শুবি।

মাকে মনে থাকিল। কাঙালীয়ে চাণ্ডৰপৰা সৰু গাৰুতো আনি মাকক এখন হাতেৰে ধৰি বিচনালৈ লৈ গ'ল। মাকে ক'লে—কাঙালী, আজি আৰু কামলৈ যাব নালাগে দে।

প্রস্তাৱটো কাঙালীৰ খুব ভাল লাগিল। সি ক'লে —কামলৈ নগ'লে জলপানৰ পইচাকেইটা নিদিব নহয় মা।

—নিদিলে নিদিব যা। আহচোন তোক সাধুকথা এটাকে কওঁ।

বৰ বেছি লোভ দেখুৱাব নেলাগিল। তৎক্ষণাত মাকৰ বুকুত শুই পৰি কাঙালীয়ে ক'লে—ক' তেনেহ'লে ৰাজকোঁৱৰ আৰু পক্ষীৰাজ ঘোঁৰাৰ সাধুকথাটো।

অভাগীয়ে ৰাজকোঁৱৰ আৰু পক্ষীৰাজ ঘোঁৰাৰ সাধুকথাটো ক'বলৈ ধৰিলে। এই সাধুবোৰ তাই অন্যৰপৰা শুনা। কিন্তু আজি যি কাহিনী তাই ক'বলৈ ধৰিলে সি আনৰ পৰা শিকা নহয়, তাইৰ নিজৰেই সৃষ্টি। যিমানেই তাইৰ জ্বৰ বাঢ়িবলৈ ধৰিলে, উষ্ণ ৰক্তস্রোত যিমানেই দ্রুতবেগেৰে মস্তিস্কলৈ প্রৱাহিত হ'ব তিমানেই যেন তাই ন ন উপকথাৰ ইন্দ্ৰজাল ৰচনা কৰিব ধৰিলে। সেই কাহিনীৰ বিৰাম নাই, বিচ্ছেদ নাই। কাঙালীৰ সৰু দেহটো বাৰে বাৰে ৰোমাঞ্চিত হ'বলৈ ধৰিলে। ভয়, বিস্ময় আৰু পুলকেৰে সি মাকক সজোৰে সাবটি ধৰি তাইৰ বুকুৰ মাজত মিলি যাবলৈ ধৰিলে।

বাহিৰত বেলি অস্ত গ'ল। সন্ধিয়াৰ ম্লান ছাঁ গাঢ়তৰ হৈ পৰিল, কিন্তু ঘৰৰ ভিতৰত আজি আৰু চাকি নজ্বলিল। ঘৰৰ শেষ কৰ্তব্য সমাধা কৰিবলৈ কোনো এজনেই নুঠিল। নিবিড় এন্ধাৰৰ মাজত মাথো ৰুগ্ন মাতৃৰ অবাধ গুঞ্জণে নিস্তব্ধ পুত্ৰৰ কাণত সুধা বৰ্ষণ কৰিবলৈ ধৰিলে। সেই শ্মশান আৰু শ্মশানযাত্ৰাৰ কাহিনী, সেই ৰথ আৰু ৰঙা ভৰিযোৰ, সেই স্বৰ্গলৈ যোৱা শোকাৰ্ত স্বামীয়ে শেষ পদধূলি দি অশ্রু-অঞ্জলিৰে বিদায় দিয়া, হৰিধ্বনি দি পুতেকহঁতে মাকক দাঙি নিয়া আৰু শেষত পুতেকহঁতে মুখাগ্নি কৰা এইবোৰ কথাকেই তাই আবেগ অভিভূত হৈ ক'বলৈ ধৰিলে।

—সেই জুইতো জুই নহয়, ই হ'ল হবি আৰু আকাশ ভৰা ধোঁৱাতো ধোঁৱা নহয়, ই হ'ল সৰগৰ ৰথ। কাঙালীচৰণ মোৰ বাপধন—

—কি মা?

—তোৰ হাতৰ জুইয়ে মোকো সৰগলৈ নিব অ' সোণ।

কাঙালীয়ে অস্ফুট স্বৰে ক'লে—যাঃ এনে কথা ক'ব নাপায়।

মাকে যেন সেই কথাষাৰ শুনিব নাপালে। তপ্ত নিশাহ এৰি ক'ব ধৰিলে—সৰু জাত

উপজিল কিয়? তাইৰ এটা গতি লগাচোন। কাঙালীৰ হাতৰ জুইকুৰাৰ লোভতেই যেন তাই প্ৰাণটো দিলে।

অভাগীৰ অভাগ্যৰ দেৱতাই অগোচৰে বহি কি ভাবিলে কোনে জানে, কিন্তু সৰু ল'ৰা কাঙালীৰ বুকুত এই কথাখিনিয়ে যেন কাঁড়ৰ দৰে বিন্ধিলে।

সিদিনা দিনৰ বেলিটো গ'ল, প্ৰথম ৰাতিটোও গ'ল। কিন্তু পুৱাৰ কাৰণে কাঙালীৰ মাকে আৰু অপেক্ষা কৰিব নোবাৰিলে। কোনে জানে এনে নিম্নজাতৰ মানুহৰ কাৰণেও স্বৰ্গত ৰথৰ ব্যৱস্থা আছে নে নাই, নাইবা এন্ধাৰৰ মাজতে খোজ কাঢ়িয়েই সিহঁত ৰাওনা হ'ব লাগে। কিন্তু বুজা গ'ল যে ৰাতি শেষ নহওঁতেই তাই এই পৃথিবী এৰি গুচি গ'ল।

ঘৰৰ সন্মুখত এডাল বেলগছ আছিল। এখন কুঠাৰ বিচাৰি আনি ৰসিকে সেই গছডালত কোব এটা মাৰিব ধৰোতেই কৰ পৰা জমিদাৰৰ দাৰোৱানে আহি তাৰ গালত সশব্দে চৰ এটা সোধাই দিলে। কুঠাৰখন কাঢ়ি লৈ ক'লে—চালা, ই তোৰ বাপেৰৰ গছ পাইছ কাটিব ধৰিছ যে?

ৰসিকে গালত হাত বুলাব ধৰিলে, কাঙালীয়ে কান্দি কান্দি ক'লে—এয়া মায়ে ৰোৱা গছ দাৰোৱানজী। কিয় তুমি পিতাইক মাৰিলা?

হিন্দুস্থানী দাৰোৱানজনে তাকো এটা অশ্ৰাব্য গালি পাৰি মাৰিবলৈ গৈছিল কিন্তু যিহেতু সি মাকৰ মৃতদেহ স্পৰ্শ কৰিছিল সেয়েহে অশৌচৰ ভয়তে তাৰ গাত হাত নিদিলে। চিঞৰ-বাঁখৰত ভিৰ জমি উঠিল, কোনেও অস্বীকাৰ নকৰিলে যে বিনা অনুমতিত গছডাল কাটিব যোৱাটো ঠিক হোৱা নাই। সিহঁতেই আকৌ দাৰোৱানজীৰ হাতে ভৰিয়ে ধৰিলে, তেওঁ যেন অনুগ্ৰহ কৰি হুকুম এটা দিয়ে, কিয়নো অসুখৰ সময়ত যিজনেই চাব আহিছিল, তাকেই কাঙালীৰ মাকে হাতত ধৰি তাইৰ শেষ অভিলাষৰ কথা ব্যক্ত কৰিছিল।

দাৰোৱান এইবিলাক কথা লৈ বিচলিত হোৱাৰ পাত্ৰ নহয়। হাত মূৰ নচুৱাই সি ক'লে যে—এইবোৰ চালাকী তাৰ আগত নাখাটিব।

জমিদাৰ স্থানীয় লোক নহয়; গাঁৱত তেওঁৰ এটা কাছাৰী আছে, গোমস্তা অধৰ ৰায় তাৰ কৰ্তা। ৰাইজে যেতিয়া হিন্দুস্থানীটোৰ আগত ব্যৰ্থ অনুনয় বিনয় কৰি আছিল, কাঙালীয়ে তেতিয়া উৰ্ধশ্বাসেৰে দৌৰি একেবাৰে কাছাৰী ঘৰ পালেগৈ। সি শুনিছিল যে পিয়াদাবোৰে ঘোচ লয়, তাৰ স্থিৰ বিশ্বাস হ'ল যে এনে অসংযত অত্যাচাৰৰ কথা গোমাস্তাৰ কাণত পেলাব পাৰিলে ইয়াৰ প্ৰতিবিধান হ'বই। হায় ৰে অনভিজ্ঞ, বঙ্গ দেশৰ জমিদাৰ আৰু কৰ্মচাৰীবোৰক সি চিনি পোৱা নাছিল। সদ্য মাতৃহীন ল'ৰাটোৱে শোক আৰু উত্তেজনাত উদভ্ৰান্ত হৈ একেবাৰে ওপৰলৈ উঠি গৈছিল। অধৰ ৰায়ে এইমাত্ৰ সন্ধ্যাহ্নিক আৰু যৎসামান্য জলযোগৰ অন্তত বাহিৰলৈ ওলাইছিল। বিস্মিত আৰু ক্ৰুদ্ধ হৈ তেওঁ চিঞৰি উঠিল—কোন তই?

—মই কাঙালী। দাৰোৱানজীয়ে মোৰ পিতাইক মাৰিছে।

—ভালেই কৰিছে হাৰামজাদাই খাজনা দিয়া নাই চাগে।

কাঙালীয়ে ক'লে—নহয় ডাঙৰীয়া পিতাই গছ কাটি আছিল—মোৰ মা মৰিছে। কথাখিনি কৈ সি কান্দোন চেপি ৰাখিব নোবাৰিলে।

পুৱাতেই এনে কান্দোন বিলাপত অধৰে অত্যন্ত বিৰক্তিবোধ কৰিলে। ল'ৰাটোৰে মৰা চুই আহিছে নে নাই, কোনে জানে, সি কিবা বস্তু চুলেই নেকি। ধমক দি ক'লে—মাৰ মৰিছে যদি যা তলতেই ৰৈ থাকগৈ। এই কোন আছ, ইয়াতে অলপ গোবৰ পানী ছটিয়াই দেচোন। কি জাতৰ ল'ৰানো তই?

কাঙালীয়ে সভয়ে চোতালত নামি ক'লে—আমি জাতত ডোম। অধৰে ক'লে—ডোম? ডোমক পুৰিবলৈ খৰি লাগে কিয়?

কাঙালীয়ে ক'লে—মাই যে মোক পুৰিবলৈ কৈ গৈছে, সকলোৱে শুনিছে নহয়। মাকৰ কথা মনলৈ অহাত বেদনাত সি স্তব্ধ হৈ পৰিল।

অধৰে ক'লে—মাৰক খৰি দিয় যদি গছৰ দাম পাঁচ টকা লৈ আহ। পাৰিবি নে?

কাঙালীয়ে জানিছিল ই অসম্ভৱ। তাৰ উৰা কাপোৰখন, ভাতখোৱা পিতলৰ থালখন বিন্দিহঁতৰ পেহীয়ে এটকাত বন্ধকত ৰাখিছে।

—টকা ক'ৰপৰা দিম? নোৱাৰো মহাশয়।

অধৰে মুখখন বিকৃত কৰি ক'লে—নোৱাৰ যদি মাৰক লৈ গৈ নৈৰ চৰত পুতি পেলাগৈ যা। বাপেৰৰ গছ পাইছ নহয়? কুঠাৰেৰে কাটিব আহিছ। পাজী, হতভগা বদমাছ। কাঙালীয়ে ক'লে—ই দেখো আমাৰেই গছ। মাই নিজ হাতেৰে ৰোৱা।

—মায়েৰে ৰোৱা গছ? এই দাৰোৱান কি চাই আছ? ইয়াক গতিয়াই বাহিৰ কৰি দে।

দাৰোৱান আহি ডিঙিত ধৰি তাক গতিয়াই বাহিৰ কৰি দিলে। আৰু এনে কথা উচ্চাৰণ কৰিলে জমিদাৰৰ কৰ্মচাৰীয়ে কি কৰে ঠিকনা নাই। কাঙালীয়ে মাটিৰপৰা উঠি লাহে লাহে ওলাই গ'ল। কিয় সি মাৰ খালে, তাৰনো কি অপৰাধ সি ভাবিবই নোৱাৰিলে। গোমাস্তাৰ নিৰ্বিকাৰ অন্তৰত এটি দাগো নপৰিল। পৰিলে তেওঁ এনে চাকৰি পায়নে?

গোমাস্তাই ক'লে—পৰেশ, চোৱাচোন ইয়াৰ খাজনা কিমান বাকী আছে? যদি আছে, তেন্তে জাল বা আন যি বস্তু আছে কাঢ়ি লৈ আহাগৈ। নহ'লে হাৰামজাদাই পলাব পাৰে।

মুখপাধ্যায়ৰ ঘৰৰ শ্ৰাদ্ধৰ বাবে আৰু এটা দিন বাকী। সমাৰোহৰ আয়োজন ঠিকেই চলিছে। বৃদ্ধ ঠাকুৰ দাসে তাৰে তত্ত্বাৱধান কৰি আছিল। এনেতে কাঙালী আহি সন্মুখত থিয় হৈ ক'লে—ঠাকুৰ দেউতা মোৰ মা মৰিছে।

কোন তই? তোক কি লাগে?

—মই কাঙালী। মাই কৈ গৈছে তেওঁক খৰি দিব লাগে বুলি।

—নিদিয় কিয়?

কাছাৰীৰ ঘটনাটো ইতিমধ্যে মুখে মুখে প্ৰচাৰিত হৈ পৰিছিল। এজনে ক'লে—তাক বোধহয় গছ এডাল লাগে। এইবুলি তেওঁ কাছাৰীৰ ঘটনাটো বিৱৰি ক'লে।

মুখোপাধ্যায়ে বিস্মিত আৰু বিৰক্ত হৈ ক'লে—শুনাচোন তাৰ আব্দাৰ। আমাৰেই যে কিমান কাঠৰ দৰকাৰ। কালিৰ বাদে পৰহি কাজ। যা যা ইয়াত একো নাপাৱ।

ভট্টাচাৰ্য ডাঙৰীয়া ওচৰতে বহি বয়- বস্তুৰ হিচাপ কৰি আছিল। তেওঁ ক'লে—তহঁতৰ জাতৰ মৰাক কোনে খৰি দিয়ে অ'? যা অলপ মুখত জুই দি নৈৰ ওচৰত পুতি থৈ আহগৈ।

মুখোপাধ্যায়ৰ ডাঙৰ পুতেকজন সেইপিনে দৌৰাদৌৰিকৈ গৈ আছিল। তেওঁ অলপ ৰৈ ক'লে—দেখিছেনে ভটচায ডাঙৰীয়া। সকলো জাতৰ মানুহে এতিয়া বামুণ হ'ব বিচাৰে। কথাখিনি কৈ ব্যস্তভাৱে তেওঁ আঁতৰি গ'ল।

কাঙালীয়ে আৰু প্ৰাৰ্থনা নজনালে। এই দুই ঘণ্টাৰ অভিজ্ঞতাই যেন তাক এজন বুঢ়া মানুহলৈ ৰূপান্তৰিত কৰিলে। সি লাহে লাহে গৈ মাকৰ মৰাশটোৰ ওচৰ পালেগৈ।

নৈৰ চৰত গাত খান্দি অভাগীক শুৱাই দিয়া হ'ল। ৰাখালৰ মাকে কাঙালীৰ হাতত এটা খেৰৰ জুমুঠি দি তাৰ হাতখনত ধৰি মাকৰ মুখখন স্পৰ্শ কৰি পেলাই দিলে। তাৰ পিছত সকলোৱে মিলি মাটিৰে ঢাকি দি অভাগীৰ শেষ চিহ্নখিনিও বিলুপ্ত কৰি দিলে।

সকলোৱে নিজৰ কামত ব্যস্ত হৈ আছিল—কেৱল সেই পোৰা খেৰৰ জুমুঠিৰপৰা যি অকণমান ধোঁৱা কুণ্ডলী পকাই আকাশলৈ উঠি গৈছিল তাকেই কাঙালীয়ে পলকহীন নেত্ৰে চাই থাকিল।

অনুঃ—ড° পৰাগ দাসগুপ্ত

*****